**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 30-10-2025**
**Time : 21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শদিয়াৰ ছপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যামিতা অভিযানৰ হিতাধিকাৰীসকলৰ মাজত আৰ্থিক অনুদান বিতৰণ কৰে। এই অনুষ্ঠানত শদিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ২৭ হাজাৰ ৫৭৩ গৰাকী হিতাধিকাৰীৰ মাজত চেক বিতৰণ কৰা হয়। ইয়াৰে শদিয়া উন্নয়ন খণ্ডৰ ১২ হাজাৰ দুগৰাকী, ছৈখোৱা উন্নয়ন খণ্ডৰ ১৪ হাজাৰ ৩৪১ গৰাকী আৰু নগৰাঞ্চলৰ এহেজাৰ ২৩০ গৰাকী। অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ প্ৰদ্যুৎ বৰুৱা, বিধায়ক বলিন চেতিয়া, সঞ্জয় কিষাণ, সুৰেণ ফুকন আদি উপস্থিত থাকে।

০০০০০০

আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক, আবৃত্তিকাৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ চৈয়দ ছাদুল্লাৰ শেষ কৃত্য কাইলৈ দুপৰীয়াৰ নামাজৰ পাছত নালিয়াপুল কবৰস্থানত সম্পন্ন কৰা হ'ব। শিল্পীগৰাকীৰ জানাজা ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব বুলি ৰাজ্য চৰকাৰে ঘোষণা কৰিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, আকাশবাণীৰ জনপ্ৰিয় উপস্থাপক তথা শিল্পী চৈয়দ ছাদুল্লাৰ আজি আগবেলা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ। যোৱা কিছুদিন ধৰি দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হোৱা চৈয়দ ছাদুল্লাক উন্নত চিকিৎসাৰ বাবে কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসাধীন অৱস্থাত আজি দিনৰ প্ৰায় চাৰে ১০ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

১৯৪৮ চনৰ ১ ফেব্ৰুৱাৰীত ডিব্ৰুগড়ৰ নালিয়াপুলত জন্মগ্ৰহণ কৰা চৈয়দ ছাদুল্লা শৈশৱৰে পৰা বিভিন্ন বাদ্যযন্ত্ৰত পাৰদৰ্শী হৈ উঠে আৰু পৰৱৰ্তী কালত গীতাৰ বাদক হিচাপে তেওঁ প্ৰসিদ্ধি লাভ কৰে। যোৱা শতিকাৰ সপ্তম দশকত ডিব্ৰুগড়ৰ কেইগৰাকীমান যুৱকে **দ্য কুইভাৰ্ছ** নামৰ উজনি অসমৰ প্ৰথমটো বেণ্ডৰ জন্ম দিয়ে। এই কুইভাৰ্ছৰ অন্যতম সদস্য আছিল চৈয়দ ছাদুল্লা। ১৯৭১ চনৰ পৰা ১৯৭৫ চনলৈ তেওঁ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাৰে অংশকালীন ঘোষকৰূপে সেৱা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ কেন্দ্ৰটোত ষ্টাফ আৰ্টিষ্টৰূপে যোগদান কৰে। কিছু কাল আকাশবাণী মুম্বাই কেন্দ্ৰতো সেৱা আগবঢ়োৱাৰ পাছত তেওঁ আকাশবাণী ডিব্ৰুগড়লৈ প্ৰত্যাৱৰ্তন কৰে আৰু ২০০৮ চনত তেওঁ কেন্দ্ৰটোৰ পৰা অৱসৰ গ্ৰহণ কৰে।

যোৱা শতিকাৰ সপ্তম আৰু অষ্টম দশকত আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত অতি জনপ্ৰিয় ভিন্নৰঙী অনুষ্ঠান **বৰ্ণালী**ৰো প্ৰধান উপস্থাপক আছিল চৈয়দ ছাদুল্লা।

পৰৱৰ্তী সময়ত শিল্পীগৰাকীয়ে গীত ৰচনা, সংগীত ৰচনা আৰু সুৰকাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰে।

০০০০০০

চিৰাং জিলা দিৱস উপলক্ষে চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত আজি কাজল গাঁৱত এখন মিনি মাৰাথন দৌৰ প্ৰতিযোগিতা সফলতাৰে আয়োজন কৰা হয়। প্ৰতিযোগিতাত পুৰুষৰ শাখাত ৪৩২ গৰাকী প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰে। বীৰদাও বসুমতাৰীয়ে প্ৰথম, লক্ষ্মণ মাচাহাৰীয়ে দ্বিতীয় আৰু জেমছন হেমব্ৰমে তৃতীয় স্থান লাভ কৰে। ইয়াৰ উপৰি শীৰ্ষ সাতগৰাকী প্ৰতিযোগিক নিচুকণি পুৰস্কাৰ দিয়া হয়। ১৬০ গৰাকী প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰা মহিলাৰ শাখাত বিদাংশ্ৰী বসুমতাৰী, ফুংবিলি ব্ৰহ্ম আৰু শান্তি নাৰ্জাৰীয়ে ক্ৰমে প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। এই প্ৰতিযোগিতাত চিৰাঙৰ জিলা উপায়ুক্ত যতীন বৰা আৰু চিৰাঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অক্ষত গাৰ্গৰ লগতে শীৰ্ষ প্ৰশাসনিক বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ওদালগুৰি জিলা প্ৰশাসনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে ওদালগুৰি জিলা দিৱস পালন কৰা হয়। ওদালগুৰি জিলা আয়ুক্ত কাৰ্যালয়ৰ পেৰেড গ্ৰাউণ্ডত আয়োজন কৰা জিলা দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি জিলা আয়ুক্ত কাৰ্যালয় চৌহদত ৫২ জোপা নাহৰ গছৰ পুলি ৰোপণ কৰা হয়। জিলা বন বিভাগৰ সহযোগত গ্ৰহণ কৰা এই কাৰ্যসূচীত জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, জিলা আৰু সত্ৰ ন্যায়াধীশৰ লগতে বিভিন্ন বিভাগীয় বিষয়া-কৰ্মচাৰী তথা জুবীন অনুৰাগীসকল উপস্থিত থাকে। জিলাখনৰ শিক্ষানুষ্ঠানৰ প্ৰাতঃ সভাত ওদালগুৰি জিলাৰ ইতিহাস, সংস্কৃতি আদিৰ বিষয়ে আলোকপাত কৰা হয়। ইয়াৰ পাছত ওদালগুৰি চহৰৰ মাজমজিয়াৰ বিষ্ণুৰাভা কৃষ্টি সংঘ প্ৰাংগণৰ পৰা জিলা আয়ুক্ত কাৰ্যালয় চৌহদলৈ এটা বাৰে ৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিটিচি পৰিষদৰ অধ্যক্ষ ত্ৰিদীপ দৈমাৰীয়ে এই শোভাযাত্ৰাৰ উদ্বোধন কৰে। দিনৰ ভাগত আলোচনা চক্ৰ আৰু ৰাজহুৱা সভা, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়।

০০০০০০

মৰিগাঁও জিলাত আজি মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অধীনত চলি থকা জিলা মহিলা সৱলীকৰণ কেন্দ্ৰই এ আই কম্পিউটাৰ এডুকেচন, মৰিগাঁৱৰ সহযোগত বেটি বাচাঅ' বেটি পঢ়াঅ' আঁচনিৰ অধীনত কুৰি গৰাকী ছোৱালীৰ বাবে ছমহীয়া বিনামূলীয়া কম্পিউটাৰ প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানটো মৰিগাঁৱৰ অতিৰিক্ত জিলা উপায়ুক্তই উদ্বোধন কৰে। ডিজিটেল শিক্ষাৰ জৰিয়তে ছোৱালীসকলক সৱলীকৰণ কৰাৰ লক্ষ্যৰে এই কম্পিউটাৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে।

০০০০০০

সমাপ্ত